# 1st Birangana Sati Sadhani Memorial Lecture

## Date: 24th April, 2024





The First Birangana Sati Sadhani Memorial Lecture was organised by Birangana Sati Sadhani Rajyik Vishwavidyalaya (BSSRV) on the 24th April, 2024 at the District Library, Golaghat, Assam. Prof. Atul Sharma, Former Hon'ble Vice-Chancellor, Rajiv Gandhi University, Itanagar, Arunachal Pradesh delivered the 1st Memorial Lecture participating as Invited Speaker. The event was also graced by Padma Shri Hemaprabha Chutia, Padma Shri Jadav Payeng and the reputed entrepreneur Smt. Munmi Saikia Gogoi from Golaghat District with their august presence as invited dignitaries. The Welcome Speech was given by our Hon'ble Vice Chancellor Prof. G. Singaiah. Lastly, respected Registrar Dr. Uday Kumar Khanikar concluded the program with his Vote of thanks speech.

## Gallery

VIEW GALLERY







**বিশেষ সম্বৰ্ধনা যাদৱ পায়েং, হেমপ্ৰভা চুতীয়া, মুনমী শইকীয়াক**


# বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ত সাধনী দিৱস উদ্‌যাপন

গোলাঘাট ঃ নিজা প্ৰতিবেদক, ২৫ এপ্ৰিল ঃ নিৰ্বাচনী ব্যস্ততাৰ বাবে গোলাঘাটস্থিত বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ে কিছু পলমকৈ ২৪এপ্ৰিলত গোলাঘাটৰ জিলা পুথিভঁৰালত বীৰাংগনা সতী সাধনী দিৱস পালন কৰে। সাধনী দিৱসৰ লগত সংগতি ৰাখি বিশ্ববিদ্যালয়খনে আৰম্ভ কৰিছে সাধনী স্মাৰক বক্তৃতা। সেই অনুসৰি, প্ৰথম সাধনী স্মাৰক বক্তৃতা আগবঢ়ায় ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, বিশিষ্ট অৰ্থনীতিবিদ তথা নিয়মীয়া স্তম্ভ লেখক ড° অতুল শৰ্মাই। অনুষ্ঠানৰ প্ৰাৰম্ভতে সাধনীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰা হয়। ইয়াৰ পিছতে শিক্ষাৰ্থীসকলে পৰিৱেশন কৰে বিশ্ববিদ্যালয় সংগীত। আদৰণী ভাষণ আগবঢ়ায় উপাচাৰ্য জি সিংহায়াই। উপাচাৰ্যগৰাকীয়ে দুমাহত বিশ্ববিদ্যালয়খনত হোৱা অভিজ্ঞতাৰ লগতে ভৱিষ্যতে ল'বলগীয়া কেতবোৰ গুৰুত্বপূৰ্ণ দিশ অৱগত কৰে। তেওঁ আঞ্চলিক সংস্কৃতি, প্ৰতিভাক এই শৈক্ষিক যাত্ৰাত বিশেষ সন্মিলন ঘটাই লৈ যোৱাৰ কথা ব্যক্ত কৰে। বিশ্ববিদ্যালয়খনৰ প্ৰতিষ্ঠাপক উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াকো তেওঁ ভূয়সী প্ৰশংসা কৰে। খুব কম সময়তে বিশ্ববিদ্যালয়খনক সঠিক দিশেৰে আনি কাৰ্যক্ষম কৰি তোলাৰ বাবে তেওঁ প্ৰতিষ্ঠাপক উপাচাৰ্যগৰাকীৰ বিশেষভাৱে শলাগ লয়। অনুষ্ঠানত মূল বক্তৃতাৰ বিষয় আছিল 'Integrated Development of North-East India'। ড° অতুল শৰ্মাই উত্তৰ-পূবৰ অৰ্থনীতি ক্ষেত্ৰখনৰ বিপুল সম্ভাৱনীয়তাৰ কথা উল্লেখ কৰে। তেওঁ কয় যে এতিয়াও উত্তৰ- পূবৰ সম্ভাৱনাবোৰৰ প্ৰকৃত প্ৰয়োগ ঘটা নাই আৰু ইয়াৰ বাবে পাৰস্পৰিক বুজাবুজিৰ অতিকৈ প্ৰয়োজন। তেওঁ নৰ্থ-ইষ্ট পলিচিকে ধৰি উত্তৰ-পূবক লৈ চলি থকা নানা পৰিকল্পনাৰ কথা ব্যক্ত কৰে। অনুষ্ঠানত সাধনী দিৱসৰ লগত সংগতি ৰাখি তিনিজন বিশিষ্ট ব্যক্তি পদ্মশ্ৰী যাদৱ পায়েং, পদ্মশ্ৰী হেমপ্ৰভা চুতীয়া আৰু মিলেট উদ্যোগী মুনমী শইকীয়াক সম্বৰ্ধনা জনোৱা হয়। তিনিওজন সম্বৰ্ধিত ব্যক্তিয়েই নিজ নিজ কৰ্মক্ষেত্ৰত হোৱা জীৱন্ত অভিজ্ঞতাৰ বৰ্ণনাৰে উপস্থিত ৰাইজক আপ্লুত কৰে। পদ্মশ্ৰী পায়েঙে কয় যে পৃথিৱীখনৰ পানীলগা জ্বৰ আৰম্ভ হৈছে আৰু এতিয়াই সচেতন নহ'লে ভৱিষ্যৎ ভয়ংকৰ হ'ব। জধে-মধে গছ কটাক লৈও তেওঁ আক্ষেপ প্ৰকাশ কৰে আৰু এইক্ষেত্ৰত অৰুণাচল চৰকাৰৰ ইতিবাচক পদক্ষেপৰ কথা সোঁৱৰে। পদ্মশ্ৰী হেমপ্ৰভা চুতীয়ায়ো কিদৰে মাহৰ পাছত মাহ কষ্ট কৰি ইংৰাজী, অসমীয়া, হিন্দী ভাষাত অসমৰ ধৰ্মগ্ৰন্থৰাজিক বুটা বাছি উলিয়াইছে, সেই কথা ব্যক্ত কৰি সকলোকে বিশেষভাৱে নৱপ্ৰজন্মক সততাৰে কাম কৰি যাবলৈ আহ্বান জনায়। তেওঁ সৃজনশীলতাৰ অপূৰ্ব নিদৰ্শন হিচাপে দুখন সুদীৰ্ঘ বস্ত্ৰ ৰাইজৰ আগত প্ৰদৰ্শন কৰে। একেদৰে মিলেট খেতিৰ জৰিয়তে স্ব-নিৰ্ভৰশীল হোৱাৰ লগতে আনকো কিদৰে জীৱিকাৰ সন্ধান দিছে, সেই বিষয়ে বক্তৃতা আগবঢ়ায় মুনমী শইকীয়াই। ইতিহাস আৰু জনশ্ৰুতিৰ ভিত্তিত সাধনীৰ বিষয়ে বক্তৃতা আগবঢ়ায় বীৰাংগনা সতী সাধনী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° অন্তৰা বড়াই। বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° পৰীস্মিতা হাজৰিকা আৰু কেৰলিন এছ ৰেংমাই আঁত ধৰা অনুষ্ঠানৰ অন্যতম কেন্দ্ৰীয় আকৰ্ষণ আছিল সাংস্কৃতিক কাৰ্যসূচী। সাধনীৰ পৱিত্ৰ স্মৃতিত পদ্মনাথ গোহাঞিবৰুৱা ৰচিত বিখ্যাত নাটক 'সাধনী'ৰ এটা দৃশ্যৰ ভিত্তিত একক অভিনয় প্ৰদৰ্শন কৰে অসমীয়া বিভাগৰ ছাত্ৰী পৰিস্মিতা গগৈয়ে। বিশ্ববিদ্যালয়ৰ প্ৰায় ৪৫ গৰাকী শিক্ষাৰ্থীয়ে অসমৰ বিভিন্ন লোকনৃত্য প্ৰদৰ্শন কৰে। দুটা আমন্ত্ৰিত দল গোলাঘাটৰ 'সপ্তসুৰ' আৰু সৰুপথাৰৰ চুকীয়া পথাৰৰ এটা দলে ক্ৰমে অৰ্কেষ্টা আৰু পানীতোলা বিহু প্ৰদৰ্শন কৰে। শলাগৰ শৰাই আগবঢ়ায় বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° উদয় কুমাৰ খনিকৰে।







## Birangana Sati Sadhani

On the day of Xaat Bihu i.e. 21st April (7th Bohag) Assam celebrates Sadhani Diwas to commemorate the death anniversary of legendary Chutiya Queen Birangana Sati Sadhani. In the Ahom Buranjis, the chief queen of the Chutias in 1523 was referred as Nang Lung or Bor Konwari. Sadhani was born in the capital city of Chutiya Kingdom Sadiya to the King Dhirnaray an (Dharmadhwajpal) and Queen Srikanti. Queen Sadhani was truly a symbol of sacrifice, strength, self-dignity, freedom, valour and rightly titled as "Birangana" by her tribesmen.

## Brief of the Invited Speaker ....

**Prof.** Atul Sarma after completing tenure of Vice-Chancellor, Rajiv Gandhi University, Itanagar, became a Member, Thirteenth Finance Commission till February 2010. Thereafter he was ICSSR Mahatma Gandhi National Fellow for two years (2011-12). He was also Chairman, OKD Institute for Social Change and Development, Guwahati. Previously, he was Professor of Economics and Head, Indian Statistical Institute, Delhi Centre, Professor at Sardar Patel Institute of Economic and Social Research, Ahmedabad, a Post-doctoral Fellow at MIT, Cambridge, USA. Besides contributing over 100 articles in various Indian and International journals and edited volumes, he published singly or jointly several books .

**BIRANGANA SATI SADHANI RAJYIK VISHWAVIDYALAYA**
**Golaghat, Assam**

## 1st Birangana Sati Sadhani Memorial Lecture

Hon'ble Vice Chancellor **Prof. G. Singaiah** &
Members of the Organizing Committee

*Cordially Invite you to the*

**1ST BIRANGANA SATI SADHANI MEMORIAL LECTURE**
**Wednesday, 24 April, 2024, at 2.00 pm**
**at District Library Auditorium, Golaghat, Assam**

By Chief Guest | **Prof. Atul Sarma**

Eminent Intellectual & Former Vice Chancellor of Rajiv Gandhi University, Itanagar
**On**
**Integrated Development of North-East India**

### Tentative Programme

- Lighting of the Sacred Lamp
- University Anthem
- Welcome Address by Prof. G. Singaiah, Hon'ble Vice Chancellor, BSSRV, Golaghat
- Felicitation of Dignitaries
- Speech by Invited Guests
- Documentary show on Birangana Sati Sadhani
- Distribution of Prize of Essay Competition
- Inauguration of Hand-Written Magazine
- 1st Birangana Sati Sadhani Memorial Lecture by Prof. Atul Sharma
- Cultural Programme
- Vote of Thanks by Dr. Uday Kumar Khanikar, Registrar, BSSRV
- National Anthem

*Invitation*